Volume: 2 Issue: 10 Pages: 46-49




# বৰগীতত "ছয় ৰসে চোৰ-চাতুৰী" এটি চমু আলোকপাত

*[1] **বুদ্ধদেৱ ৰায়**

*[1] মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়, সহঃ অধ্যাপক, অসমীয়া বিভাগ

**Article Info.**
**E-ISSN: 2583-6528**
**Impact Factor (SJIF): 5.231**
**Peer Reviewed Journal**
**Available online:**
www.alladvancejournal.com

**Received:** 15/Sep/2023
**Accepted:** 19/Oct/2023

***Corresponding Author**
**বুদ্ধদেৱ ৰায়**
মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়, সহঃ অধ্যাপক, অসমীয়া বিভাগ

**Abstract**
'বৰগীত' অসমীয় গীতি সাহিত্যৰ বুৰঞ্জীলৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ এক অভিনৱ অৱদান। কিন্তু মহাপুৰুষদ্বয়ে এই শ্ৰেণী গীতক "বৰগীত' বুলি কোৱাৰ নিদৰ্শন ক'তোৱেই পাবলৈ নাই। গুৰুজনাৰ গীতখিনি বৰপেটাৰ কমলা গায়ন নামৰ এজন শিষ্যই আওৱাবলৈ নিছিল। কিন্তু বনপোৰা জুইত গীতখিনি জাহ যোৱাৰ ফলত মাত্ৰ ৩৪ টি গীতহে ৰক্ষা পৰে। ইমান কষ্ট কৰি লিখা গীতখিনি পুৰি ছাই হৈ যোৱাত গুৰুজনাই খেদ প্ৰকাশ কৰি প্ৰিয় শিষ্য মাধৱদেৱক কৈছিল "বৰাৰ পো, অনেক শ্ৰমকৈ গীতখানি কৈলো, পুইলে, গীত কিছু কৰা, আমি নকৰো আৰো" গুৰুজনাই যে তেৰাৰ ৰচিত গীতবোৰক "বৰগীত" বুলি কোৱা নাই "গীত" বুলিহে কৈছিল উক্ত কথাষাৰিয়ে তাৰ স্বাক্ষৰ। গুৰুজনাৰ আদেশানুসৰি মাধৱদেৱে এই শ্ৰেণীৰ গীত ৰচনা কৰিবলৈ লয় আৰু ১৫৭ টি গীত ৰচনা কৰে। মহাপুৰুষদ্বয়ৰ দ্বাৰা ৰচিত এই গীতবোৰৰ বিষয়বস্তু, ভাৱ, নাটকীয় গীত, ভটিমা বা সেই সময়ত ৰচিত তেৰাসৰৰ সমসাময়িক গীতিকাৰসকলৰ গীতৰ পৰা সম্পূৰ্ণ বেলেগ ধৰণৰ হোৱা হেতুকে ভক্ত সমাজে এই শ্ৰেণীৰ গীতক পিছলৈ শ্ৰেষ্ঠত্বসূচক 'বৰ' বিশেষণটো লগাই 'বৰগীত' হিচাপে নামকৰণ কৰে। অসমীয়া সাহিত্যৰ সমালোচক সকলেও মহাপুৰুষদ্বয়ৰ দ্বাৰা ৰচিত এই শ্ৰেণীৰ গীতক Noble Number, Great Song, Holy Song বুলিছে। মহাপুৰুষদ্বয়ৰ ৰচিত ১৯১ টা গীত সমসাময়িক অন্যান্য শাস্ত্ৰীয়-সুৰযুক্ত গীতৰ পৰা সম্পূৰ্ণ পৃথক হোৱা হেতুকে এইখিনি গীতক সাধাৰণ গীতৰ বিপৰীতে "বৰগীত" বোলা হয়। বৰগীতৰ বিষয়বস্তু অনুসৰি ৬ টা ভাগত ভাগ কৰা হৈছে। বিষয়বস্তুৰ এই ৬ টা ভাগক "ছয় বসে চোৰ চাতুৰী" বুলিও কোৱা হয়। এই ৬ টা বিষয়বস্তুৰ ভাগ বা ৬ টা বস হ'ল লীলা, পৰমাৰ্থ, বিৰহ, বিৰক্তি, চোৰ আৰু চাতুৰী। লীলা বিষয়ৰ আকৌ চাৰিটা ভাগ। যেনে জাগ**ন**, চলন, খেলন আৰু নৃত্য। বৰগীতৰ ৬ টা বিষয়বস্তু বা ছয় বস শঙ্কৰ-মাধৱৰ বৰগীতত কেনেদৰে প্ৰকাশ পাইছে আমাৰ গৱেষণা পত্ৰখনিত এটি আলোচনা দাঙি ধৰা হ'ব।

**Keywords:** বৰগীত, শঙ্কৰদেৱ, মাধৱদেৱ, লীলা, পৰমাৰ্থ, বিৰহ, বিৰক্তি, চোৰ, চাতুৰী।

**Introduction**

**মূল বিষয়বস্তুৰ আলোচনা:**

অসমত নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তেৰাৰ প্ৰিয় শিষ্য মাধৱদেৱে কাব্য, আখ্যান, উপাখ্যান, নাট, ভক্তিপ্ৰকাশক গ্ৰন্থৰ লগতে একশ্ৰেণী গীতৰো সৃষ্টি কৰি থৈ গ'ল। যিবোৰ গীতক 'বৰগীত' বুলি কোৱা হয়। 'মন মেৰি ৰাম চৰণেহি লাগু' গীতটিৰে গুৰুজনাই বৰগীতৰ আৰম্ভণি কৰিছিল বদৰিকাশ্ৰমত। 'বাৰকুৰি বৰগীত, তেৰকুৰি ফকৰা' পদফাঁকিৰ পৰা জনা যায় যে গুৰুজনাই বাৰকুৰি বৰগীত ৰচনা কৰিছিল। অৱশ্যে শংকৰ-মাধৱে ৰচনা কৰা গীতখিনিক তেৰাসৱে 'বৰগীত' বুলি কোৱাৰ নিদৰ্শন ক'তোৱেই পাবলৈ নাই। বৰপেটাৰ কমলা গায়ন নামে এজন ভকতে শংকৰদেৱৰ গীতবোৰ আওৱাবলৈ নিয়ে। চ'ত মহীয়া বনপোৰা জুইত ঘৰ পোৰাত সেইবোৰ পুৰিলে। গুৰুজনাই খেদকৈ বোলে "..... বৰাপো, অনেক শ্ৰমকৈ গীতখানি কৈলো, পুইলে, গীত কিছু কৰা, আমি নকৰো আৰো ইয়াৰ পৰাই ক'ব পাৰি যে গুৰুজনাই 'গীত' বুলিহে কৈছিল; 'বৰগীত' বুলি কোৱা নাই। শংকৰ-মাধৱৰ ব্ৰজাৱলী ভাষাত ৰচিত ১৯১ টা গীতক পিছতহে 'বৰগীত' বুলি আখ্যা দিয়া হয়। সীমাবদ্ধ পৰিক্ৰমাত থকা এই গীতবোৰৰ বিষয়বস্তু, নাট, কাব্যগীতৰ পৰা সম্পূৰ্ণ বেলেগ। এইবোৰ গীতৰ বিষয়বস্তু আধ্যাত্মিক বা পৰমাৰ্থিক। ইয়াত শৃঙ্গাৰ ৰসৰ স্থান সমূলি নাই বুলিব পাৰি। সাংসাৰিক প্ৰেম-কাহিনীৰ পৰা সম্পূৰ্ণ মুক্ত বৰগীতসমূহ আধ্যাত্মিকতাৰ উজ্জ্বল নিদৰ্শন। বৰগীতৰ বিষয়বস্তু বা ভাৱলৈ লক্ষ্য কৰিয়েই

কালিৰাম মেধিয়ে 'Great Songs', অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা দেবেন্দ্ৰ নাথ বেজবৰুৱাই 'Holy Songs' বুলি কৈছে। ড° মহেশ্বৰ নেওগদেৱে "অসমীয়া সাহিত্যৰ ৰূপৰেখা"ত কৈছে "বৰগীত সাংসাৰিক প্ৰেম-কাহিনীৰ পৰা সম্পূৰ্ণ মুক্ত আধ্যাত্মিক ভাৱৰ উপাসনা প্ৰসঙ্গৰ গীত।" গতিকে, শংকৰ-মাধৱৰ ৰচিত আধ্যাত্মিক বিষয়ৰ গীতবোৰ সেই সময়ত ৰচিত অন্যান্য গীততকৈ সম্পূৰ্ণ বেলেগ ধৰণৰ হোৱা হেতুকে সাধাৰণ গীতৰ বিপৰীতে 'বৰগীত' বোলা হয়।

বৰগীত 'ছয় ৰসে চোৰ-চাতুৰী' কথাষাৰ 'চৰিত পুথি'ত উল্লেখ পোৱা যায়। এই ছয় বসে বৰগীতৰ বিষয় বস্তুৰ কথাকে বুজাইছে। বৰগীতৰ বিষয় বস্তুৰ ভাৱ অনুসৰি বৰগীতক ছটা ভাগত ভগোৱা হৈছে। সেইবোৰ যথাক্ৰমে- লীলা, বিৰহ, বিৰক্তি, পৰমাৰ্থ, চৌৰ আৰু চাতুৰী।

বৈষ্ণৱ ধৰ্মৰ উপাস্য দেৱতা কৃষ্ণ বা ৰাম। বৰগীতৰ বিষয়বস্তু ভগৱান শ্ৰীকৃষ্ণ বা ৰামৰ লীলা মাহাত্ম্যৰ কথা বৰ্ণিত হৈছে। এই ক্ষেত্ৰত শংকৰ-মাধৱৰ বৰগীতৰ বিষয় বস্তুৰ ওপৰত ড° বাণীকান্ত কাকতিয়ে কৰা মন্তব্য দুটি যথোপযুক্ত। "শংকৰদেৱৰ ৰচিত যিবোৰ গীত এতিয়াও আছে, সেই আটাইবোৰেই প্ৰাৰ্থনাসূচক। মানৱ জীৱন দুস্প্ৰাপ্য অথচ ক্ষণভঙ্গুৰ আৰু মায়াময়; হৰিভকতি মোহাচ্ছন্ন জীৱন সমুদ্ৰত ধ্ৰুৱতৰা এয়ে নানা ভাৱ আৰু ভাষাত শংকৰদেৱৰ গীতবোৰৰ সাধাৰণ তাৎপৰ্য।" মাধৱদেৱৰ বৰগীতৰ প্ৰসঙ্গত কৈছে- "তেওঁৰ বেছিভাগ গীততেই শিশু কৃষ্ণৰ বাল্য জীৱনৰ ৰং-বিৰঙৰ চিত্ৰ ফুটি ওলাইছে। বাৎসল্য প্ৰেম মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্বহ।"

শংকৰদেৱৰ যিখিনি বৰগীত আছে তাৰ বেছি সংখ্যক গীতেই প্ৰাৰ্থনা সূচক। গুৰুজনাৰ দুই এটি গীতৰ বিপৰীতে মাধৱদেৱৰ বেছিভাগ গীতেই লীলা বিষয়ক। দুয়োজনা মহাপুৰুষে কৃষ্ণ বা ৰামৰ লীলা মাহাত্ম্যৰ মাজেৰে পৰম পুৰুষ ভগৱানৰ ঐশ্বৰিক মহিমাকেই প্ৰকাশ কৰিছে। শংকৰদেৱৰ বৰগীতত কৃষ্ণ হৈছে মুকুতিদাতা, দীনদয়াল, ভকত বৎসল, জনাৰ্দন, শ্ৰুতমাত্ৰাখিল ত্ৰাতা। সেইজন কৃষ্ণৰ গুণ-গুৰিমা গাই তেওঁৰ চৰণত প্ৰণিপাত জনাই মুকুতিদাতা যাদৱৰ লীলা-মাহাত্ম্যৰ কথাকে প্ৰকট কৰি তুলিছে-

"জয় জয় যাদৱ জলনিধি মাধৱ ধাতা।
শ্ৰুত মাত্ৰাখিলত্ৰাতা স্মৰণে কৰয় সিদ্ধি।
দীনদয়ানিধি ভকত মুকুতি দাতা।।"

বৰগীত, পৃঃ নং - ১

তেনেদৰে বিষুৰ ৰাম অৱতাৰত বীৰ ৰসৰ মাজেদি ৰামে ৰাক্ষক ৰাৱণক বধ কৰি সীতাক উদ্ধাৰ কৰা কাৰ্যই ৰাম অৱতাৰৰ লীলা মাহাত্ম্যৰ কথা প্ৰকাশ পাইছে।

"শুন শুনৰে, সুৰ বৈৰী প্ৰমাণা নিশাচৰ নাশ নিদানা।
ৰাম নাম যম, সমৰক সাজিয়ে
সমদলে কয়লি পয়াণা।।"

বৰগীত, পৃঃ নং- ৪

বৰগীতত শঙ্কৰ-মাধৱে কৃষ্ণক অভিন্ন কৰি দেখুৱাই পৰম পুৰুষৰ অৱতাৰী লীলা-মালাৰ মাজেৰে জনসাধাৰণৰ মাজত ভক্তিৰ সোঁত নিগৰাইছিল।

১। জয় জয় ৰাম ৰাঘৱ ৰঘুকূল পংকজ
দিনকৰ দিন মুৰাৰি।
যো পদ কমল সুৰাসুৰে সেৱক
সকল ভূৱন অধিকাৰী।।

বৰগীত, পৃঃ নং- ১৬০

২। ৰোম বিবৰ মহ কৌটি কৌটি অণ্ড
যৈচণ অনুপৰমাণি।
নন্দনন্দন কতি নাম ধৰত সোহি
ওহি লীলা কোই জানি।।

বৰগীত, পৃঃ নং- ৭২

লীলা বিষয়ক গীতক আকৌ জাগন, চলন, খেলন আৰু নৃত্য এই চাৰিটা ভাগত ভগোৱা হৈছে।

অৱশ্যে শংকৰদেৱৰ গীততকৈ মাধৱদেৱৰ গীততহে এই কেইটা দিশ পৰিলক্ষিত হয়। মাধৱদেৱে গীতৰ মাজেৰে শিশু কৃষ্ণৰ বাল্য জীৱনৰ ৰং-বিৰঙৰ ছবি অংকণ কৰি পৰম পুৰুষ ভগৱানৰ ঐশ্বৰিক লীলাৰ কথাকে অৱতাৰণা কৰিছে। 'তেজৰে কমলা পতি পৰভাতে নিন্দ' জাগনৰ এটি বিখ্যাত গীত। শ্ৰীকৃষ্ণ ভগৱান হৈও যশোদাৰ ঘৰত ৰাখোৱাল হিচাপে গৰু চৰাইছে। যিজনক মহা মহা যোগীজনেও তপস্যা কৰি লাভ কৰিব পৰা নাই। গীতটিৰ শেষত নন্দ যশোদাৰ ঘৰত ৰাখোৱাল কৃষ্ণ যে সাধাৰণ গৰখীয়া নহয়; তেওঁ যে ত্ৰিজগতৰ পতি, সেই কথা ভক্ত কবিজনাই ক'বলৈ পাহৰা নাই।

"কহয় মাধৱ মাই! কিনো তপসাইলা।
ত্ৰিজগত পতি হৰি ৰাখোৱাল পাইলা।।"

বৰগীত, পৃঃ নং- ১৪২

কৃষ্ণই গোপবালকসকলৰ লগত গোকুলৰ পৰা বৃন্দাবনলৈ গৰু চৰাবলৈ যোৱা গীতবোৰক চলনৰ গীত, বৃন্দাবনত খেলা গীতবোৰক খেলনৰ গীত আৰু গোপ বালকসকলৰ লগত কৰা নৃত্যক নৃত্যৰ গীত বোলা হয়।

চলনৰ গীতবোৰত কৃষ্ণই গোপ বালকসকলৰ লগত শিঙা, শংখ, বেণু বজাই গৰু চৰাবলৈ সাজি- কাছি যোৱা দৃশ্যৰ মাজেদি কৃষ্ণ যে সাধাৰণ গৰখীয়া নহয় তেওঁ যে জগতৰ গুৰু, বৈকুণ্ঠৰ পতি সেই কথা মাধৱদেৱে গীতৰ মাজেৰে কৈছে-

"জগতেৰ গুৰু হৰি কাছি গোপ কাছে।
আভীৰ বালক বেঢ়ি চলে আগে পাছে।।"

বৰগীত, পৃঃ নং - ১৪৯

..........

"বৈকুণ্ঠৰ পতি প্ৰভু বনে চাৰে ধেনু।
কহয় মাধৱ গতি কানু-পদ-বেণু।।"

বৰগীত, পৃঃ নং- ১৫০

মাক যশোদাৰ লগত মানৱী ৰূপ দেখুৱাই খেলা কৰা কৃষ্ণ যে সৃষ্টি, স্থিতি, প্ৰলয়ৰ অধিকাৰী, পৰম পুৰুষ ভগৱান সেই কথা ভক্ত সমাজক মাধৱদেৱে সোঁৱৰাই দিবলৈ পাহৰা নাই-

"সৃষ্টি স্থিতি লয় কাৰণ যোই।
যাকৰ লীলা জানত নাহি কোই।।" বৰগীত,

পৃঃ নং- ১৭৩

এই চৰাচৰ বিশ্ব-ব্ৰহ্মাণ্ডত কৃপাময় পৰমেশ্বৰে গোপবেশত সাজি-কাছি নৃত্যৰ মাজেৰে আত্মপ্ৰকাশ কৰিছে মাধৱদেৱৰ বৰগীতত এইদৰে -

"যাহাৰ প্ৰকাশে চৰাচৰ প্ৰকাশয়।
গোপ বেশে কাছে দেখো সেহি কৃপাময়।।"

বৰগীত, পৃঃ নং - ১০৮

বিৰহ বিষয় গীতবোৰত কৃষ্ণই গোকুলৰ পৰা কংস মামাৰ মথুৰাপুৰীত থকা সময়ছোৱাত গোকুলত নন্দ-যশোদা সমন্বিতে গোপ-গোপীসকলে যি বিৰহানলত দগ্ধ হৈ পৰিছিল, সেইবোৰ গীতেই শংকৰ-মাধৱৰ বিৰহ বিষয়ক গীত বুলি পৰিচিত।

"উদ্ধৱ বন্ধু; মধুপুৰী ৰহল মুৰাৰু।
কাহে নাহেৰি ৰহব অৱ জীৱন
বন ভয়ো ভৱন হামাৰু।।"

বৰগীত, পৃঃ নং - ২৭

কৃষ্ণ অবিহনে গোকুলবাসী তমসাময়। গোপীসকলৰ বাবে কৃষ্ণ প্ৰাণস্বৰূপ। প্ৰাণকৃষ্ণ যেতিয়া মথুৰাপুৰীত আছিল, তেতিয়া কৃষ্ণৰ সখা উদ্ধৱক গোপীসকলে তেওঁলোকৰ প্ৰাণকৃষ্ণ কেতিয়া গোকুললৈ ঘূৰি আহিব আকুল হৈ সুধিছিল -

"কহৰে উদ্ধৱ কহ প্ৰাণেৰ বান্ধৱহে,
প্ৰাণকৃষ্ণ কৱে আৱে
পুছয় গোপী প্ৰেম আকুলভাৱে
নাহি চেতন গাবে।।"

বৰগীত, পৃঃ নং - ২৬

তেনেদৰে মাধৱদেৱৰ বৰগীততো ফুটি উটিছে গোপীসকলৰ কৃষ্ণ বিৰহৰ যন্ত্ৰণাৰ হৃদয় বিদাৰক
মৰ্মস্পৰ্শী ছবি।

"গোকুলে আজু গোপাল বিনে ভয়ো অন্ধিয়াৰি।
উগত সূৰ দূৰ গয়োৰে মুৰাৰি।।"

বৰগীত, পৃঃ নং - ১৪১

"আলো মঞি কি কহ'ব দুখ।
পৰাণ নিগৰে নেদেখিয়া চান্দমুখ।।"

বৰগীত, পৃঃ নং- ১৪৩

এই গীতটিত যি বিৰহৰ চিত্ৰ সেয়া যেন পুত্ৰ বিৰহৰ যন্ত্ৰণাত মৰ্মাহত হোৱা মাতৃ যশোদাৰ মৰ্মস্পৰ্শী বেদনা। কিন্তু 'কথা গুৰু চৰিত'ৰ মতে শংকৰদেৱৰ মৃত্যুৰ পিছত গুৰুজনাক হেৰুৱাৰ দুখত উথলি উঠা মাধৱদেৱৰ অন্তৰৰ বিৰহানলহে। বিৰক্তি বিষয়ক গীতবোৰত পাৰ্থিৱ জগতৰ অনিত্যতা বা ক্ষণ ভঙ্গুৰতাৰ কথা মহাপুৰুষ দুজনাৰ গীতত প্ৰকাশ পাইছে। মায়াময় সংসাৰত পুত্ৰ-পৰিবাৰ, ধন-জন, সকলো মিছা। সেইবাবে এই মায়াময় জাগতিক বিষয়-বাসনাৰ সুখ-সম্ভোগৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে অনাসক্তি প্ৰকাশ কৰি ভগৱন্তৰ চৰণত কাতৰে অনুণয় কৰিছে -

"পাৱে পৰিহৰি কৰহো কাতৰি
প্ৰাণ ৰাখবি মোৰ।
বিষয় বিষধৰ বিষে জৰজৰ
জীৱন নৰহে মোৰ।।
অথিৰ ধনজন জীৱন যৌৱন
অথিৰ এহু সংসাৰ।
পুত্ৰ পৰিবাৰ সৱহি অসাৰ
কৰবু কাহেৰি সাৰ।।"

বৰগীত, পৃঃ নং- ১৬

মাধৱদেৱৰ বৰগীততো সংসাৰৰ প্ৰতি বিৰক্তিভাৱৰ প্ৰতিফলন ঘটিছে।

"বিষয় সুখ শুকৰকহু পায়
হৰি পদ সেৱা মানৱী বিনে নাই।।"

বৰগীত, পৃঃ নং - ৪৫

"মায়া ছোড়ি ভকতি কৰো দানা।
কৰো তুৱা চৰণ পঙ্কজ মধুপানা।।"

বৰগীত, পৃঃ নং - ৩৯

শংকৰ-মাধৱৰ পৰমাৰ্থ গীতবোৰত পৰম পুৰুষ ভগৱানৰ লীলা-মাহাত্ম্যৰ কথা ব্যক্ত কৰিছে। বিষয় বিৰক্তিত মানুহৰ পৰমাৰ্থ জ্ঞানৰ উদয় হয়। গুৰুজনাই বৈষয়িক কামনা-বাসনাৰ প্ৰতি অনাসক্ত হৈ সংসাৰৰ মায়া-মমতাৰ পৰা পৰিত্ৰান পাবৰ বাবে পৰম পুৰুষ ভগৱন্তৰ চৰণত শৰণাপন্ন হৈছে। সৃষ্টি স্থিতিৰ অধিকাৰী ভগৱন্ত অনাদি, অনন্ত, নিৰাকাৰ, নিৰাময়। তেওঁৱেই স্ৰজন কৰ্তা, শাশ্বত, পৰমতত্ব ভগৱানক কায়মনোবাক্যে উপলব্ধি কৰিব পাৰিলে পৰম জ্ঞানৰ উদয় হয় আৰু এই পৰম জ্ঞানৰ উপলব্ধি হয় ভগৱানৰ প্ৰতি থকা দৃঢ়বিশ্বাস আৰু ভগবদ্ভক্তিৰ দ্বাৰা। যি জ্ঞানৰ দ্বাৰাই এই সংসাৰৰ মায়া মমতাৰে ভৰা ভৱসমুদ্ৰ পাৰ হৈ ভগৱন্তৰ চৰণত একান্তভাবে আত্মনিবেদন কৰিবলৈ সমৰ্থ হয়; সেয়াই পৰমাৰ্থ। শংকৰ-মাধৱৰ পৰমাৰ্থ গীতবোৰৰ মাজেৰে জনসাধাৰণক ভগৱানৰ অলৌকিক মহিমাৰ কথা ব্যক্ত কৰি মুক্তি পথৰ সন্ধান দিছে।

"য'ত জীৱ জঙ্গম কীট পতঙ্গম
অগ-নগ-জগ তেৰি কায়া।

বৰগীত, পৃঃ নং- ৫

মধুৰ মুৰুতি মুৰাৰু /
মন দেখো হৃদয়ে হামাৰু।।"

বৰগীত, পৃঃ নং - ২

ৰামকৃষ্ণ যে বিষ্ণুৰে অৱতাৰ, ৰাম-কৃষ্ণৰ মাজত যে প্ৰভেদ নাই সেই কথা শংকৰদেৱে বৰগীতৰ মাজেদি জনসমাজক দেখুৱাই দিছে।

"কৃষ্ণ কিংকৰ শংকৰ কহ
বিছুৰি বিষয় কামা।
ৰাম চৰণে শৰণ লেহু
জপ গোবিন্দক নামা।।"

বৰগীত, পৃঃ নং- ১০

তেনেদৰে মাধৱদেৱৰ বৰগীতত বিষ্ণুই দুষ্টক দমন কৰি সন্ত সকলৰ ৰক্ষাৰ কাৰণে ভূমিৰ ভাৰ হৰণ কৰি শ্ৰীকৃষ্ণ অৱতাৰ ৰূপে ধৰাত আবিৰ্ভাৱ হৈছিল।

"জয়তি পৰমানন্দ এ নন্দ কুমাৰ।
নিগম নিগুঢ় হৰি ভয়ো অৱতাৰ।।"

বৰগীত, পৃঃ নং- ১২৯

পৰমাৰ্থ গীতবোৰৰ মাজেদি ভগৱান কৃষ্ণৰ চৰণত মাধৱদেৱৰ আত্ম সমৰ্পণৰ ভাৱ প্ৰকাশ পাইছে।

"দয়াৰ ঠাকুৰ হৰি যদুমণি ও ৰাম
অধমে তোমাৰ নাম ডাকে।
কৃপা কৰা নাৰায়ণ আমাৰ চঞ্চল মন
তোমাৰ চৰণে যেন থাকে।।"

বৰগীত, পৃঃ নং - ৭৬

চুৰি-চাতুৰি বিষয়ক গীত শংকৰদেৱৰ পাবলৈ নাই বুলিলেও হয়। অৱশ্যে দুই এটি গীতত শিশু কৃষ্ণৰ বাল্যকালৰ চিত্ৰ নথকা নহয়। কিন্তু মাধৱদেৱৰ বৰগীততহে শিশুকৃষ্ণৰ বাল্যকালৰ ছবি ৰং-বিৰঙৰ মাজেদি বিচিত্ৰ ৰূপত ফুটি উঠিছে। সৰ্বকালৰ শিশুৰ দৰে ভেম, ভণ্ডামি, দুষ্টালি, চুৰি-চাতুৰীৰে মাধৱদেৱৰ কৃষ্ণ যেন এটি গাঁৱলীয়া গৰখীয়া ৰূপত অৱতীৰ্ণ হৈছে। দধি-দুগ্ধ, লৱণুৰ প্ৰতি শিশুসকলৰ লোভ থকাৰ দৰে মাধৱদেৱৰ বৰগীততো কৃষ্ণই নিজৰ ঘৰত উভৈনদী হৈ থকা দধি-দুগ্ধ খাবলৈ এৰি গোৱালীনিৰ ঘৰত লৱণু চোৰ কৰিবলৈ সোমাই হাতে লোটে গোৱালীনিৰ হাতত ধৰা পৰাৰ দৃশ্য মাধৱদেৱৰ গীতত অতি সুন্দৰ।

"আজি কাহা যাসি বোলয় গোৱালী।
পেখিয়ে আখি তৰল বণমালী।।"

বৰগীত, পৃঃ নং- ১৬৯

কিন্তু নোমটেঙৰ কানাইও কম নহয়-
"লৱণু চোৰ ধৰি আছয় গোৱালী।
কৰত কানাই চোৰ চাতুৰালী।।"

বৰগীত, পৃঃ নং- ১৭৮

সেইজন দুষ্ট কানাইয়ে কেনেকৈ চাতুৰীৰে গোৱালীনিৰ মুখত লৱণু সানি দি গোপীকে চুৰনী বুলি প্ৰতিপন্ন কৰিছিল তাৰ বৰ্ণনা মাধৱদেৱৰ বৰগীতত অতি মনোৰম হৈ উঠিছে।

"পাৰাকহু লোক মানত হৰি সাখী।
হাতক লৱণু গোপিনী মুখে মাখি।।
বোলত কানাই হামু কৈছে চোৰ।
তুহু চুৰুণী মুখহি সাখি তোৰ।।"

বৰগীত, পৃঃ নং- ১৭৮

বৰগীতৰ বিষয়বস্তুত ৬ টা ভাৱ লক্ষ্য কৰা যায় যদিও গুৰুজনাই এই ৬ টা ভাৱৰ বিষয়বস্তুক কেন্দ্ৰ কৰি জনমানসত ভগৱান কৃষ্ণৰ প্ৰতি ভক্তিৰ নিজৰাটি বোঁৱাই দিয়াটোহে আছিল মুখ্য উদ্দেশ্য। ড° বাণীকান্ত কাকতিয়ে বৰগীত সম্পৰ্কে কৰা এষাৰি কথাই বৰগীতৰ নিগুঢ় তত্বৰ কথা অতি স্পষ্টভাৱে দাঙি ধৰে। ".... নাট-পদ আদিতকৈও গীতবোৰে শংকৰদেৱৰ বৈষ্ণৱ আন্দোলনক বিপুল ভাৱে সহায় কৰিছিল। পাখি লগা কাড়ৰ দৰে শংকৰ আৰু মাধৱদেৱৰ গীতবোৰ উৰি ফুৰি য'তে পৰিছিল ত'তে নৱ আধ্যাত্মিক ভাৱৰ গুটি সিঁচিছিল।"

**সহায়ক গ্ৰন্থ:**


1. বৰগীত: মহাপুৰুষ শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু মাধৱদেৱ বিৰচিত (সম্পাদক): হৰিনাৰায়ণ দত্ত বৰুৱা, প্ৰকাশক শ্ৰী জোতিন্দ্ৰ নাৰায়ণ দত্তবৰুৱা, পাণবজাৰ, গুৱাহাটী ১, প্ৰথম প্ৰকাশ ১৯৫০ চন, সংশোধন সংস্কৰণ ২০০২ চন।
2. অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্তঃ শৰ্মা, ড° সত্যেন্দ্ৰনাথ, প্ৰকাশক সৌমাৰ প্ৰকাশ, ৰিহাবাৰী, গুৱাহাটী - ৮, দশম সংস্কৰণ, পুনৰ মুদ্ৰণ ২০১৫ জুন।
3. অসমীয়া সাহিত্যৰ ৰূপৰেখা: নেওগ, ড° মহেশ্বৰ, প্ৰকাশক শ্ৰী সূৰ্য হাজৰিকা, এম. কম. বাণী মন্দিৰ, ডিব্ৰুগড়, অসম ৭৮৬০০১, পঞ্চম তাঙৰণ আগষ্ট, ১৯৮৩।
4. মাধৱদেৱ: সাহিত্য, কলা আৰু দৰ্শন: হাজৰিকা, ড° কৰবী ডেকা, প্ৰকাশক মাখন হাজৰিকা, বনলতা, নতুন বজাৰ, ডিব্ৰুগড় ১, তৃতীয় প্ৰকাশ, ফেব্ৰুৱাৰী, ১৯৯৮ চন।
5. পুৰণি অসমীয়া সাহিত্য (বৰগীত প্ৰবন্ধ): কাকতি, ড° বাণীকান্ত, প্ৰকাশক বিমল কুমাৰ হাজৰিকা, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী ২১, তৃতীয় প্ৰকাশ আগষ্ট, ২০০০।
6. অসমীয়া সাহিত্যৰ দৃষ্টিপাত: শৰ্মা, ড° হেমন্ত কুমাৰ প্ৰকাশক শান্তি ৰঞ্জন দে, বীণা লাইব্ৰেৰি, কলেজ হোস্টেল ৰোড, গুৱাহাটী ১, চতুৰ্দশ সংস্কৰণ, চেপ্তেম্বৰ, ২০১২।
7. প্ৰৱন্ধ গানৰ পৰম্পৰাত বৰগীত: মহন্ত, বাপচন্দ্ৰ প্ৰকাশ, শ্ৰী অজয় কুমাৰ দত্ত, ষ্টুডেন্ট ষ্টৰ্চ, কলেজ হোষ্টেলৰোড, গুৱাহাটী ১, বনলতা সংস্কৰণ, ডিচেম্বৰ, ২০০৬।